সৰুপথাৰ মহাবিদ্যালয়

স্থাপিত ঃ ১৯৭০ চন

SARUPATHAR COLLEGE

# প্ৰতিবিম্ব ই-বাৰ্তা The Reflection

প্ৰথম বছৰ, সপ্তম সংখ্যা, ২০২৪, সৰুপথাৰ মহাবিদ্যালয়

সৰুপথাৰ মহাবিদ্যালয় প্ৰকাশন কোষৰ দ্বাৰা প্ৰকাশিত।। প্ৰথম বছৰ, ষষ্ঠ সংখ্যা।। মাহেকীয়া ই-বাৰ্তা, ৩০ ছেপ্তেম্বৰ, ২০২৪, সোমবাৰ


## মহাবিদ্যালয়ৰ বিদ্যুৎ শক্তি সঞ্চয়ৰ পদক্ষেপ

সৰুপথাৰ মহাবিদ্যালয়ৰ বিদুৎ শক্তি সঞ্চয়ৰ ক্ষেত্ৰত আমি কিছু পদক্ষেপ গ্ৰহণ কৰিছোঁ। ক্ৰমৰৰ্ধমান বিদুৎ বিলৰ ব্যয় আৰু পৰিৱেশ-তন্ত্ৰৰ লগত একাত্ম হোৱাৰ প্ৰয়াসেৰে মহাবিদ্যালয়ত সৌৰশক্তিৰ উচ্চ শক্তি সম্পন্ন সৌৰপেনেল সংস্থাপন কৰা হৈছে। এই প্ৰযুক্তিৰ দ্বাৰা মহা-বিদ্যালয়ৰ প্ৰায় আশী শতাংশ বিদুৎ সৌৰ শক্তিৰ দ্বাৰা চলিত হ'ব। মহাবিদ্যালয়ৰ চৌহদত ইতিমধ্যে প্ৰায় চৈধ্যটা স্বয়ংক্ৰিয় সৌৰলাইটৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ লগতে মহাবিদ্যালয়লৈ নতুনকৈ এটা উচ্চ ক্ষমতাসম্পন্ন Eco-friendly Generator ক্ৰয় কৰা হৈছে। এই সকলো ব্যৱস্থাপনাৰ বাবে সৰুপথাৰ সমষ্টিৰ মাননীয় বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়ালৈ মহাবিদ্যালয় কৰ্তৃপক্ষই আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছে।■

## Commerce Department's Campus Bazaar Pop-Up Store Challenge








On 24th September 2024, Sarupathar College witnessed an incredible display of entrepreneurial spirit and creativity as the Department of Commerce hosted the "Campus Bazaar Pop-Up Store Challenge." This unique event, organized in association with the Marketing Club, Entrepreneurship Club, and Finance Club, transformed the campus into a vibrant marketplace, showcasing the business acumen and innovative ideas of our students. The Campus Bazaar oûered a platform for students to apply their classroom learning in a real- world context, allowing them to experience the challenges and joys of running a pop-up business. With a wide variety of stalls ranging from handmade crafts, clothing, and accessories to delicious food items, the event attracted a large audience and created an engaging, festive atmosphere on campus. This event was a shining example of how Sarupathar College encourages innovative thinking and experiential learning. The Campus Bazaar Pop-Up Store Challenge provided a unique opportunity for students to showcase their talents and put their entrepreneurial skills to the test.

## মহাবিদ্যালয়ত স্বেচ্ছামূলক ৰক্তদান শিবিৰ



২৮ ছেপ্টেম্বৰ, ২০২৪ ঃ স্বেচ্ছামূলক ৰক্তদান দিৱসৰ সৈতে সংগতি ৰাখি আজি সৰুপথাৰ মহাবিদ্যালয়ৰ ৰেড ৰিবন ক্লাব, এন এছ এছ আৰু এন চি চিৰ উদ্যোগ তথা শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়, গোলাঘাটৰ সহযোগত সৰুপথাৰ মহাবিদ্যালয়ত এটি ৰক্তদান শিবিৰ সম্পন্ন কৰা হয়। এই ৰক্তদান শিবিৰত মহাবিদ্যালয়ৰ শিক্ষক-ছাত্ৰ সমাজৰ প্ৰায় পঞ্চাশগৰাকীয়ে ৰক্তদান কৰি এই মহৎ কৰ্মত নিজৰ সক্ৰিয় সহযোগিতা আগবঢ়ায়। ■

## বিনামূলীয়া স্বাস্থ্য শিবিৰ

৭ ছেপ্টেম্বৰ, ২০২৪, ছেপ্টেম্বৰ মাহৰ প্ৰথমটো শনিবাৰ। প্ৰতি মাহৰ প্ৰথমটো শনিবাৰে ধনশিৰি মহকুমা স্বাস্থ্য বিভাগৰ সহযোগত আৰু সৰুপথাৰ মহাবিদ্যালয়ৰ উদ্যোগত বিভিন্ন ঠাইত বিনামূলীয়া স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত কৰি অহা হৈছে। এইবাৰ ৭-৯-২০২৪ তাৰিখে সৰুপথাৰ মহাবিদ্যালয়তে শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে এই শিবিৰ সম্পন্ন কৰা হয়। ■

## বুজাবুজি চুক্তি সম্পন্ন

৭ ছেপ্টেম্বৰ, ২০২৪ঃ সৰুপথাৰ মহাবিদ্যালয়ৰ MOU Implementation Cell ৰ সৌজন্যত ধনশিৰি জিলা ক্ৰীড়া সন্থা আৰু ধনশিৰি চুতীয়া ছাত্ৰ সন্থাৰ সৈতে আজি সৰুপথাৰ মহাবিদ্যালয়ৰ এখন বুজাবুজিৰ চুক্তি (MOU) স্বাক্ষৰিত হয়। ক্ৰীড়া সন্থাৰ সভাপতি শ্ৰীবিশ্বজিৎ ফুকন ডাঙৰীয়া, সম্পাদক শ্ৰী লাহন, চুতীয়া ছাত্ৰ সন্থাৰ সভাপতি শ্ৰীঅভিজিৎ শইকীয়া, সম্পাদক ৰক্তিম হাজৰিকা প্ৰমুখ্যে দুয়োটা সংগঠনৰ সমূহ বিষয়ববীয়াই মহাবিদ্যালয়ৰ MOU Implementation Cell ৰ সমন্বয়ক প্ৰাঞ্জল দত্তই আঁত ধৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। ■

## মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন



২৭ ছেপ্টেম্বৰ, ২০২৪, আজি সৰুপথাৰ মহাবিদ্যালয়ত ৰঙাপাৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ তথা অসম কলেজ অধ্যক্ষ পৰিষদৰ সম্পাদক ড° ৰঞ্জন কলিতা ডাঙৰীয়াই "NAAC- New Metrics: New Challenges" শীৰ্ষক এটি মনোজ্ঞ বক্তৃতা প্ৰদান কৰে। মহাবিদ্যালয়ৰ IQACৰ সমন্বয়ক ড° ৰিদিপ খনিকৰে আঁত ধৰা অনুষ্ঠানটিত অসমীয়া বিভাগৰ ড° প্ৰণৱ ফুকন সম্পাদিত বাৰ্ষিক গৱেষণা-পত্ৰিকা 'পানচৈ' উন্মোচন কৰা হয়। ড° কলিতা ডাঙৰীয়াৰ লগতে বাইদেউ শ্ৰীযুতা পিকুমণি কলিতালৈও মহাবিদ্যালয় কৰ্তৃপক্ষই কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছে। ■

## Commerce Department's MoU with South Development Block

In a landmark move, the Department of Commerce, Sarupathar College has partnered with the South Development Block, Golaghat, to launch an initiative focused on fostering socio-economic growth in the region. This collaboration aims to bring together academic expertise and grassroots development efforts, creating a dynamic platform for students and local entrepreneurs.The partnership will provide students with hands-on experience in understanding the complexities of rural economies, while the Development Block will benefit from the innovative ideas and energy of the college community. Key areas of focus will include sustainable business models, rural marketing strategies, and skill development programs. ■

## শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উদযাপন




৪ ছেপ্তেম্বৰ, ২০২৪ঃ আজি সৰুপথাৰ মহাবিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিৰোভাৱ তিথি উপলক্ষে 'উৎসৱ উদযাপন' বিভাগৰ উদ্যোগত ছাত্ৰ-ছাত্ৰী তথা শিক্ষকবৃন্দৰ সহযোগত দিনযোৰা কাৰ্যসূচীৰে নাম-প্ৰসঙ্গৰ লগতে বৰগীত, নেগেৰা-নামৰ আয়োজন কৰা হয়। বাণিজ্য শাখাৰ মুৰব্বী অধ্যাপক নৱজ্যোতি গোস্বামী আৰু অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক সুশীল শইকীয়াৰ নেতৃত্বত আন্তৰিক শ্ৰদ্ধা-ভক্তিৰে ছাত্ৰ-ছাত্ৰীসকলে এই পুণ্য তিথি উদযাপন কৰা বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা সংশ্লিষ্ট সকলোকে কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰা হৈছে। ■

## International Day of Peace organized



The 21st September , 2024 marks the 25th anniversary of the United Nations' General Assembly's adoption of the Declaration and Programme of Action on a Culture of Peace; a significant milestone reflecting the United Nation's commitment to partnering with Governments, institutions, and communities, to address the underlying factors that challenge social cohesion and disrupt peace . Synchronising with the global quest for Peace, the International Day of Peace was organised today under the aegis of Day Observation Cell, Sarupathar College. Dr. Ridip Khanikar graced the occasion as Resource Person. ■

## Economics Department's Parent-Teacher Meet

The Department of Economics on 27th Sept, 2024, organized a Parent-Teacher Meet aimed at fostering communication between parents and faculty members. The primary objective was to provide a platform for discussion on the academic progress of students, their future career paths, and overall well-being. The meeting began with a welcome address by our guest faculty Ms Juhita Kalita. The meeting followed with the speech by the Head of the department, Ms Jayashree Bordoloi, highlighting the importance of cooperation between parents, teachers and students to ensure the holistic development of students. She presented a detailed report on students' academic performance, highlighting the strengths and areas of improvement. She gave an overview of the curriculum for the current academic year, importance of 75% attendance as well as detailing the changes introduced in the syllabus to align with the New Education Policy, NEP 2020. The aim was to ensure that the parents were familiar with the learning objectives and the teaching methodologies taking place.In the meeting, senior faculty member, Mr Nareswar Basumatary stressed the importance of career prospects for economics students. He provided insights into various career options available after graduation, including roles in research, government, corporate sectors, and higher education. The meeting graced its heights with the important speech by the principal, Dr Prapti Thakur. She highlighted the crucial role of effective communication between parents and teachers in nurturing students' academic and personal growth. She spoke about the department's commitment to achieving academic excellence fostering the holistic progress of students. She mentioned that the department of economics has incorporated new courses and methods that prepare students to face challenges in the future. Our another faculty member Ms Karabi Biswas delivered an insightful lecture on students' behaviour, discipline in day-to-day life and strategies for overcoming challenges in competitive exams. She emphasized that discipline is a cornerstone of success, not only in academics but also in personal development. Students must cultivate regular study habits, punctuality, and respect for their teachers, elders as well as for peers. She urged both students and parents to work together in creating an environment that fosters learning and growth. Students were encouraged to believe in their abilities, maintain a positive attitude, and face challenges with determination. ■

# News Capsules

## Dr. Bhupen Hazarika remembered

The 98th Birth anniversary of musical maestro Bharat Ratna Dr. Bhupen Hazarika was observed on 8th September,2028. The programme, sponsored by Mr. Pranjal Dutta, Co-ordinator of the Dr. Bhupen Hazarika Study Centre, Sarupathar College in collaboration with Retro Music Academy, Sarupathar, started with lighting of the earthen lamp in front of the portrait of the legendary musician followed by floral tribute to the artiste where Dr. Prem Kanta Bora, Mr. Satyabrat Dutta, Mr. Krishna Konwar and Ms. Trishmita Borah took part. In the programme, Ms. Smita Chetia , Mr. Pranjal Dutta and Mr. Satyabrat Dutta spoke on the contributions of Dr. Hazarika in the field of literature, music and films apart from focusing on the multifaceted personality of Dr. Hazarika. In the programme , budding local artistes Ms. Aichenfa Phukan, Ms. Farhan Ali and Mr. Anand Tanti performed Bhupendra sangeet. The programme was attended amon g others by Mr. Dimpal Phukan, Ms. Polakhi Phukan, Mr. Ankur Buragohain and Mr. Anupam Kakati. The programme came to an end with the vote of thanks offered by Mr. Pranjal Dutta. ■

## Cleanliness drive carried out

Guided by its motto 'Not Me, But You', the NSS Unit of Sarupathar College with a view to institutionalising cleanliness and raising awareness about environment conservation executed a special campaign and cleanliness drive at Sarupathar CHC and Office of South Golaghat Block on 17th September, 2024. A total of 65 volunteers took part in the drive. The NSS unit also conducted a cleanliness drive on 20th September, 2024 in front of the college as well as inside the college premises where a total of 37 volunteers took part. On the other hand, the NSS Foundation Day was celebrated with pomp and gaiety at No-1 Tengaholl L P & ME School (amalgamated) on 24th September,2024. ■

## Workshop on English Grammar and Usages

In a significant development the Department of English, Sarupathar College has started a seven day workshop on English Grammar and Usages from 3oth September,2024 to 7th October,2024 with an aim to equip students with grammatical skills and proficiency . In this connection the inaugural ceremony was held on 30th September where Vice Principal of Sarupathar College, Mr. Jayanta Borah formally inaugurated the workshop in presence of faculty members of Department of English including Mr. Pranjal Dutta, Ms. Rini Banerjee, Ms. Trishmita Bora and Ms. Jerry Timungpi apart from a large number of students. ■

## Add-on Course Certificates distributed

The various departments of Sarupathar College distributed the Add-on Course certificates to the deserving students of the 2023-24 batch in a meeting held under the chairmanship of Dr. Prapti Thakur on 25th September, 2024. It is to be mentioned here that there is a total of nine add-on courses run by the college. ■

## Dr. Rizal brings laurels to college

Dr. Sanjay Rizal, Assistant Professor, Department of Commerece has successfully published a patent titled 'Human Resources Management Through HR Analytics and Artificial Intelligence.' Dr. Rizal's achievement has widely been appreciated and applauded by the Sarupathar College fraternity. ■

## Dr. Thakur's new Book on Buddha Published

The National Book Trust of India (NBT), an apex body established by the Govt. of India, has recently published the Assamese translation of Aabid Surti's *Kyon Muskuraye Buddha 2500 Varsh Baad* as *Buddhai Misiki Haanhile Kiyo 2500 Bosoror Paasot* (বুদ্ধই মিচিকিয়াই হাঁহিলে কিয় ২৫০০ বছৰৰ পাছত) The book has been translated from Hindi by Dr Prapti Thakur, the Principal of Sarupathar College. This is Dr. Thakur's second book, published by NBT. The Sarupathar College fraternity congratulates Dr Thakur on her achievements. ■

## বক্তৃতা অনুষ্ঠান সম্পন্ন

আন্তৰাষ্ট্ৰীয় অনুবাদ দিৱসৰ লগত সংগতি ৰাখি Day Observation cell য়ে IQAC ৰ সহযোগত ৩০-৯-২০২৪ তাৰিখে 'অনুবাদ আৰু অনুবাদ সাহিত্য' বিষয়ক এক বক্তৃতা অনুষ্ঠান আয়োজিত কৰে। অনুষ্ঠানত আমন্ত্ৰিত অতিথি গোলাঘাট চৰকাৰী বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষয়িত্ৰী অৰূপা নাথে অনুবাদৰ কৌশল, ইয়াৰ গুৰুত্ব আৰু অনুবাদৰ প্ৰাসংগিকতা সম্পকে দিয়া এক মনোগ্ৰাহী বক্তৃতাই উপস্থিত শিক্ষক-ছাত্ৰ সকলোকে আপ্লুত কৰে। ■

## মীন বিষয়ক পাঠ্যক্ৰমৰ বাবে প্ৰস্তুতি

সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰ তথা সৰুপথাৰ সমষ্টিৰ সন্মানীয় বিধায়ক বিশ্বজিৎ ফুকন ডাঙৰীয়া অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৰহাৰ মীন মহাবিদ্যালয়ত ২৪ ছেপ্তেম্বৰ তাৰিখে উপস্থিত হৈ সৰুপথাৰ মহাবিদ্যালয়ৰ দ্বাৰা প্ৰস্তাৱিত এবছৰীয়া ডিপ্ল'মা পাঠ্যক্ৰম "Advanced Fish Farming' ৰ বিষয়ে মীন মহাবিদ্যালয়ৰ ডীন ড° প্ৰদীপ ভূঞা, জ্যেষ্ঠ অধ্যাপক ড° কমলেশ্বৰ কলিতা প্ৰমুখ্যে বিষয়ববীয়াসকলৰ সৈতে প্ৰথম পৰ্যায়ৰ আলোচনাত মিলিত হয়।■




## পোষ্টাৰ মেকিং প্ৰতিযোগিতা

সৰুপথাৰ মহাবিদ্যালয়ৰ Red Ribbon Club ৰ উদ্যোগত এখনি পোষ্টাৰ তৈয়াৰ (Poster Making) প্ৰতিযোগিতা আয়োজন কৰা হৈছে। পোষ্টাৰৰ বিষয়বস্তু হৈছে HIV/AIDS সম্পৰ্কে সজাগতা। ইচ্ছুক প্ৰতিযোগীসকলে ২ অক্টোবৰ তাৰিখে দিনৰ ১২ বজাৰ আগতে পোষ্টাৰখনৰ PDF কৰি পঠাব লাগিব। ■

## শিক্ষক গোটৰ প্ৰতিবাদী কাৰ্যসূচী

সদৌ অসম কলেজ শিক্ষক সংস্থাৰ আহ্বান অনুসৰি যোৱা ৫ ছেপ্তেম্বৰ তাৰিখে গ্ৰহন কৰা প্ৰতিবাদী কাৰ্যসূচীৰ অংশ হিচাপে সৰুপথাৰ মহাবিদ্যালয়ৰ শিক্ষক গোটৰ সদস্যবৃন্দ আৰু গ্ৰন্থাগাৰিকে সক্ৰিয়ভাৱে অংশগ্ৰহন কৰি কাৰ্যসূচী সফল কৰাৰ বাবে শিক্ষক গোটৰ সভাপতি প্ৰশান্ত পোদ্দাৰ আৰু সম্পাদক কৃষ্ণ কোঁৱৰে ধন্যবাদ জনাইছে। ■

## কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত

সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ উদ্যোগত আৰু মহাবিদ্যালয় আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৩-০৯-২০২৪ তাৰিখৰ পৰা ২৮-০৯-২০২৪ তাৰিখলৈকে মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত এখনি কবিতা আবৃত্তিৰ কৰ্মশালা অনুষ্ঠিত কৰা হয়। আবৃত্তিকাৰ ৰাজীৱ বল্লভ গোস্বামীয়ে ছাত্ৰ ছাত্ৰীসকলক শব্দৰ উচ্চাৰণ, কণ্ঠৰ আসন,আবৃত্তিৰ কৌশল আদি আবৃত্তি বিষয়ক বিভিন্ন বিষয়ৰ জ্ঞান প্ৰদান কৰে। মহাবিদ্যালয় আলোচনী বিভাগৰ তত্বাৱধায়ক ড° ববিতা দত্ত আৰু আলোচনী সম্পাদক আশ্বিক ওৰাঙে অনুষ্ঠানটোৰ সফলতাৰে পৰিচালনা কৰে। কৰ্মশালাৰ সামৰণিৰ দিনা অংশগ্ৰহণকাৰী সকলক মানপত্ৰ প্ৰদান কৰা হয়।■



### ছাত্ৰ-ছাত্ৰীৰ সাফল্য

সৰুপথাৰ মহাবিদ্যালয়ৰ উচ্চতৰ মাধ্যমিক ১ম বৰ্ষৰ ছাত্ৰ সীমান্ত গগৈয়ে নাগালেণ্ড চৰকাৰৰ যুৱ সম্পদ আৰু ক্ৰীড়া বিভাগৰ দ্বাৰা অনুষ্ঠিত 'নৰ্থ ইষ্ট গেমছ', ২০২৪ৰ (১৮ৰ পৰা২৩ মাৰ্চ) সামৰিক কলা 'পেঞ্চাক ছিলাট'ত ব্ৰঞ্জৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। ■




India book of records (maximum windsurfing tournaments won by a female)ত নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছে সৰুপথাৰ মহাবিদ্যালয়ৰ ছাত্ৰী নিশামণি বৰা। আমাৰ বাবে বিৰল আনন্দৰ মুহূৰ্ত..■







চলিত মাহত মহাবিদ্যালয়ৰ বাণিজ্য বিভাগৰ মুৰব্বী অধ্যাপক নৱজ্যোতি গোস্বামীৰ প্ৰকাশিত গ্ৰন্থ



মহাবিদ্যালয়ত সংস্থাপিত চ'লাৰ পেনেল



বুজাবুজিৰ চুক্তি



বিনামূলীয়া স্বাস্থ্য শিবিৰ



কবিতা আবৃত্তিৰ কৰ্মশালা



আন্তৰাষ্ট্ৰীয় অনুবাদ দিৱস



শিক্ষক গোটৰ প্ৰতিবাদী কাৰ্যসূচী





NAAC- New Metrics: New Challenges" শীৰ্ষক বক্তৃতানুষ্ঠান




Cleanliness drive carried out



মীন বিষয়ক পাঠ্যক্ৰমৰ প্ৰস্তুতি



'পানচৈ' উন্মোচন




ড° প্ৰাপ্তি ঠাকুৰ (অধ্যক্ষ)ৰ অনূদিত গ্ৰন্থ



Dr. Bhupen Hazarika remembered

## শিক্ষক কৰ্মচাৰীৰ প্ৰীতি সন্মিলন

২ ছেপ্টেম্বৰ, ২০২৪ঃ আজি IQAC ৰ উদ্যোগত মহাবিদ্যালয়ৰ আলোচনা কক্ষত অধ্যক্ষ, উপাধ্যক্ষ, শিক্ষক, গ্ৰন্থাগাৰিক আৰু কৰ্মচাৰী সকলৰ উপস্থিতিত এইবছৰৰ শিক্ষক কৰ্মচাৰীৰ প্ৰীতি সন্মিলনখনি অতি সুন্দৰ ভাৱে অনুষ্ঠিত হয়। উল্লেখ্য যে ২০২১ চনৰ পৰা সেই সময়ৰ অধ্যক্ষ মনিপ্ৰভা বৰাৰ উদ্যোগত ২ ছেপ্টেম্বৰ দিনটো সৰুপথাৰ মহাবিদ্যালয়ত কৰ্মচাৰী দিবস হিচাপে উদযাপন কৰি অহা হৈছে। ■

## Sarupathar College Teachers Welfare Fund

মহাবিদ্যালয়ত কৰ্মৰত শিক্ষক আৰু কৰ্মচাৰীৰ ভৱিষ্যতৰ অৰ্থনৈতিক নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি IQAC ৰ উদ্যোগত Sarupathar College Teachers Welfare Fund গঠন কৰা হয়। মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ শিক্ষক নৰেশ্বৰ বসুমতাৰীৰ পৰিচালনাৰে এই সমিতিয়ে অতি কম সময়ৰ ভিতৰত কাৰ্যকৰী হোৱাকৈ Fund সংগ্ৰহ কৰি পৰৱৰ্তী কাৰ্যপন্থা হাতত ল'ব। ■

## 'শাৰদী ৰাণী তোমাৰ হেনো নাম'











মহাবিদ্যালয়ৰ চৌহদত শাৰদী ৰাণীক আদৰাৰ প্ৰস্তুতি

প্ৰতিবিম্ব ই-বাৰ্তাৰ সম্পাদনা সমিতিঃ
উপদেষ্টাঃ ড° প্ৰাপ্তি ঠাকুৰ
সম্পাদকঃ ড° অমৰ শইকীয়া
সম্পাদক (ইংৰাজী শাখা)ঃ প্ৰাঞ্জল দত্ত
সহঃ সম্পাদকঃ
তৃস্মিতা বৰা, সত্যব্ৰত দত্ত, যুগল মেধি